**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থীৰ ধনৰ ব্যয় ডেৰশ শতাংশ বৃদ্ধি কৰা হ'ব বুলি ৰাজ্যিক নিৰ্বাচন আয়োগৰ ঘোষণা।

২। ফেব্ৰুৱাৰীত এদিনৰ বাবে কোকৰাঝাৰত বিধানসভাৰ বাজেট অধিবেশন।

৩। ৰাজ্য চৰকাৰে আৰম্ভ কৰা বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত আজি সাতখন জিলাত বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণ।

৪। এখন দেশ এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়ক যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণৰ বাবে বিৰোধীৰ দাবী অনুসৰি আজি লোকসভাত চৰকাৰৰ এই সন্দৰ্ভত প্ৰস্তাৱ দাখিলৰ সিদ্ধান্ত।

**আৰু**

৫। ব্ৰিছবেন টেষ্টৰ আজি অন্তিম দিনা অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতৰ প্ৰথম ইনিংছত ২৬০ ৰাণ সংগ্ৰহ। অষ্ট্ৰেলিয়াৰ দ্বিতীয় ইনিংছ আৰম্ভ।

০০০০০০

পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থীৰ ধন ব্যয়ৰ সীমা বৃদ্ধি কৰি ৰাজ্যিক নিৰ্বাচন আয়োগে কালি এটা নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি ২০১২ চনৰ নিৰ্বাচনৰ তুলনাত এইবাৰ ডেৰশ শতাংশ ব্যয় বৃদ্ধিত আয়োগে অনুমোদন জনাইছে। নিৰ্বাচনী ফলাফল ঘোষণা দুমাহৰ ভিতৰতে ব্যয়ৰ হিচাপ জিলা আয়ুক্তৰ জৰিয়তে আয়োগক দাখিল নকৰিলে পৰৱৰ্তী পঞ্চায়ত নিৰ্বাচনতত প্ৰাৰ্থীগৰাকী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব নোৱাৰিব বুলি কোৱা হৈছে। উল্লেখযোগ্য যে ২০১২ চনত জিলা পৰিষদৰ প্ৰাৰ্থীৰ বাবে ব্যয়ৰ সীমা ৪ লাখ টকা আছিল। আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে এইবাৰ এগৰাকী সদস্যই সৰ্বাধিক ১০ লাখ টকালৈকে ব্যয় কৰিব পাৰিব। জিলা পৰিষদৰ সদস্যৰ সংখ্যা পূৰ্বৰ ৪২০ গৰাকীৰ পৰা পুনৰ গঠনৰ পাছত ৩৯৭লৈ হ্ৰাস পাইছে। ইপিনে আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী পূৰ্বৰ এক লাখ টকাৰ পৰিৱৰ্তে এইবাৰ আঢ়ৈ লাখ টকালৈ ব্যয় কৰিব পাৰিব। আঞ্চলিক পঞ্চায়তৰ সদস্যৰ সংখ্যাও পূৰ্বৰ ১৮৫ৰ পৰা ১৮১লৈ হ্ৰাস পাইছে। গাঁও পঞ্চায়তৰ সদস্যৰ বাবে ব্যয়ৰ সীমা পূৰ্বৰ ১০ হাজাৰ টকাৰ পৰা ২৫ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। সংশোধিত পঞ্চায়ত আইন অনুসৰি এইবাৰৰ পৰা পোনপটীয়াকৈ গাঁও পঞ্চায়তৰ সভাপতি নিৰ্বাচন কৰা নহ'ব। ইয়াৰ পৰিৱৰ্তে গাঁও পঞ্চায়তৰ নিৰ্বাচিত সদস্যৰ মাজৰ পৰা এগৰাকী সভাপতি বাছনি কৰা হ'ব। পঞ্চায়ত নতুন সীমা অনুসৰি গাঁও পঞ্চায়তৰ সংখ্যা পূৰ্বৰ ২ হাজাৰ ২০২ খনৰ পৰা ২ হাজাৰ ১৯৩ লৈ হ্ৰাস পাইছে। উল্লেখযোগ্য যে জানুৱাৰী মাহত দুটা পৰ্যায়ত এই নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীয়ে ইতিপূৰ্বে ঘোষণা কৰিছে।

০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন এইবাৰ এদিনৰ বাবে কোকৰাঝাৰত অনুষ্ঠিত হ'ব। বি টি চিৰ বিধানসভা ভৱনত বাজেট অধিবেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অহা ফেব্ৰুৱাৰীত এদিনৰ বাবে হ'বলগীয়া এই বাজেট অধিবেশন ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'ব। বাজেট অধিবেশনৰ বাকী দিনকেইটাৰ কাৰ্যসূচী অসম বিধানসভাৰ নতুন ভৱনত অনুষ্ঠিত হ'ব।

০০০০০০

ৰাজ্য চৰকাৰে আৰম্ভ কৰা বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি চিৰাং, ধুবুৰী, কাৰ্বি আংলং, মাজুলী, শিৱসাগৰ, দক্ষিণ শালমৰা আৰু ওদালগুৰি জিলাত বিভিন্ন আঁচনি ৰূপায়ণ কৰা হ'ব। প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ধুবুৰী জিলাত এহেজাৰ ২০৮গৰাকী, কাৰ্বি আংলং জিলাত ৫১৭গৰাকী, শিৱসাগৰ জিলাত এহেজাৰ ৭৭৮গৰাকী আৰু দক্ষিণ শালমৰা জিলাত ৩৬৬গৰাকী শিক্ষাৰ্থীক স্কুটাৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়ন কৰি থকা ধুবুৰী জিলাৰ ২০ হাজাৰ ৯২৪গৰাকী, কাৰ্বি আংলং জিলাৰ ৫ হাজাৰ ৩০০গৰাকী, শিৱসাগৰ জিলাৰ ৭ হাজাৰ ২৫৩গৰাকী আৰু দক্ষিণ শালমৰা জিলাৰ ৪ হাজাৰ ১৬৮গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰা হ'ব। একেদৰে আনন্দ ৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ধুবুৰী জিলাৰ ৮৭২গৰাকী, কাৰ্বি আংলং জিলাৰ ২৭৮গৰাকী, শিৱসাগৰ জিলাৰ এহেজাৰ ১৪১গৰাকী আৰু দক্ষিণ শালমৰা জিলাৰ ২৫৯গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰত্যক্ষ লাভ হস্তান্তৰযোগে নগদ পুৰস্কাৰ প্ৰদান কৰা হ'ব। অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত চিৰাং জিলাৰ ৩৮৩গৰাকী, কাৰ্বি আংলং জিলাৰ ৫৩২গৰাকী, মাজুলী জিলাৰ ১৯৩গৰাকী, ওদালগুৰি জিলাৰ ৩৪৪গৰাকী তৃতীয় বৰ্গৰ ঋণীক দ্বিতীয় পৰ্যায়ত ঋণমুক্তিৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত চিৰাং জিলাৰ ৫৬গৰাকী, কাৰ্বি আংলং জিলাৰ ৩৫৭গৰাকী, মাজুলীৰ ৩৩গৰাকী, দক্ষিণ শালমৰাৰ ৪১গৰাকী আৰু ওদালগুৰিৰ ২১০গৰাকী ব্যক্তিক মূলধনী বিনিয়োগৰ ওপৰত ৰাজসাহায্য প্ৰদান কৰা হ'ব। আনহাতে, দুৰ্যোগত ক্ষতিগ্ৰস্ত চিৰাং জিলাৰ ৮গৰাকী, কাৰ্বি আংলঙৰ ১৭গৰাকী, দক্ষিণ শালমৰাৰ ৯গৰাকী আৰু ওদালগুৰিৰ তিনিগৰাকী ব্যক্তিৰ পৰিয়ালক পোনপটীয়াকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত চিৰাং জিলাত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, ধুবুৰীত অতুল বৰা, মাজুলীত নন্দিতা গাৰ্লোছা, শিৱসাগৰত ডাঃ ৰণোজ পেগু, দক্ষিণ শালমৰাত কেশৱ মহন্ত, ওদালগুৰিত উৰ্খাও গৌৰা ব্ৰহ্ম আৰু কাৰ্বি আংলঙত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই দুদিনীয়া কাৰ্যসূচীৰে জিলাখনত উপস্থিত হৈ বিভিন্ন চৰকাৰী আঁচনি, উন্নয়নমূলক প্ৰকল্প আদিৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি প্ৰশাসন আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। আজি জিলাখনত হ'বলগীয়া ড০ বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে মুখ্য অতিথি হিচাপে

অংশগ্ৰহণ কৰি জিলাখনত চলি থকা সকলো উন্নয়নমূলক কাম ক্ষিপ্ৰতাৰে কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

বাইট (কেশৱ মহন্ত)

০০০০০০

কেন্দ্ৰীয় চৰকাৰেএখন দেশ এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়ক দুখন বিস্তৃত আলোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি লোকসভাত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই বিধেয়কখন যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ ক ৰিব লাগে বুলি পৰামৰ্শ দিয়াৰ লগতে ইয়াৰ প্ৰতিটো দফা সন্দৰ্ভত বিতং আলোচনাৰ পোষকতা কৰিছিল। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুনৰাম মেঘৱালে দেশত একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সংবিধানৰ এশ উনত্ৰিশ ন ম্বৰ সংশোধনী বিধেয়ক , ২০২৪ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক , ২০২৪ উত্থাপন কৰাৰ সময়ত শাসক বিৰোধীৰ বা ক-বিতণ্ডাৰ মাজতে গৃহমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। সংসদৰ নিম্ন সদনত বিধেয়কদুখন উত্থাপন কৰাৰ সময়ত আইন মন্ত্ৰী অৰ্জুনৰাম মেঘৱালে কয় যে চৰকাৰে **এখন দেশ এটা নিৰ্বাচন** সম্পৰ্কীয় বিধেয়কখন বিস্তৃত আলোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিবলৈ সাজু হৈছে। উল্লেখযোগ যে, কোনো নিৰ্দিষ্ট বিষয় বা বিধেয়কৰ পুংখানুপুংখ পৰীক্ষা কৰিবলৈ সংসদে গঠন কৰি দিয়া এই যুটীয়া সংসদীয় সমিতিত দুয়োখন সদনৰ শাসক আৰু বিৰোধী দলৰ সদস্য ৰে গঠিত হয়।

০০০০০০

ভূটান ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দেশখনৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকক সাক্ষাৎ কৰি অসম আৰু ভূটানৰ মাজৰ ঐতিহ্যপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ভূটানৰ প্ৰধানমন্ত্ৰী দাছ’ চেৰিং টবগেৰ সৈতে দুয়োখন ৰাষ্ট্ৰৰ পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয়ৰ লগতে বাণিজ্যিক অংশীদাৰিত্ব শক্তিশালী কৰাৰ বাবে আলোচনা কৰে। তেওঁ কয়, যে ভূটান আৰু অসমৰ মাজত পূৰ্বৰে পৰা ৭টা বাণিজ্যিক পথেৰে যাতায়াত ব্যৱস্থা অব্যাহত আছে। দুয়োখন ভূখণ্ডৰ মাজৰ ব্যৱসায়-বাণিজ্য বৃদ্ধিৰ বাবে অতিৰিক্ত পথৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ ল’ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি অসম মালা প্ৰকল্পৰ অধীনত কোকৰাঝাৰ আৰু গেলেফুৰ মাজত পথ সংযোগ অধিক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইয়াৰ আগেয়ে কালি ভূটানৰ থিম্ফুৰ ছাংগলিমেথাং খেলপথাৰত আয়োজিত দেশখনৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে সপত্নীক অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ১৯০৭ চনত ভূটানৰ প্ৰথম ৰজা উগ্যেন ৱাংচুকৰ ৰাজ অভিষেকৰ স্মৃতিত এই ৰাষ্ট্ৰীয় দিৱস উদযাপন কৰা হয়।

০০০০০০

সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে কালি চলিত বৰ্ষৰ বাবে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী সীমা বিশ্বাসক আইদেউ সন্দিকৈ সোঁৰৰণী শিল্পী বঁটা প্ৰদান কৰে। সমিতিয়ে বিগত বৰ্ষৰ পৰা প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নাম ভূমিকাত অভিনয় কৰা শিল্পী আইদেউ সন্দিকৈৰ সোঁৰৰণত তেওঁৰ মৃত্যু তিথি ১৭ ডিচেম্বৰৰ দিনা অসমৰ একোগৰাকীকৈ মহিলা শিল্পীক এই বঁটা প্ৰদান কৰি আহিছে। কালি বঁটা প্ৰদান অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত মুকলি সভাত ছত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা, কাজিৰঙা লোকসভা সমষষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা প্ৰমুখ্যে ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সব্যসাচী মহন্তই ভোলাগুৰি চাহ বাগিছাৰ পৰা অস্কাৰলৈ অসমীয়া বোলছবিৰ জয়যাত্ৰা বিষয়ক বিশেষ বক্তৃতা প্ৰদান কৰে।

০০০০০০

অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে আজীৱন উদাত্ত কণ্ঠেৰে মাত মাতি জাতীয় চেতনাৰ সঞ্চাৰ কৰা অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা সংগ্ৰামী, কবি, নাট্যকাৰ, গায়ক, গদ্য লেখক, সংবাদসেৱী ৰায়চৌধুৰীক তেজোদিপ্ত ধ্যান-ধাৰণা আৰু চেতনাৰ সঞ্চাৰকাৰী কৰ্ম আৰু সৃষ্টিৰাজিৰ বাবে **অসম কেশৰী** উপাধিৰে বিভূষিত কৰা হৈছিল। ১৯৫০ চনত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৬৫ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত ৰায়চৌধুৰীয়ে তুমি, বীণা, অনুভূতি, বেদনাৰ উল্কা আদি কাব্যপুথিৰ উপৰি কেইবাখনো নাটক ৰচনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াই গৈছে।

০০০০০০

পঞ্চম বাৰ্ষিক ঢকুৱাখনা গ্ৰন্থমেলা আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে ২৩ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি গ্ৰন্থ উন্মোচনৰ লগতে চিত্ৰাংকন, কবিতা আবৃত্তি, কুইজ আদি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই গ্ৰন্থমেলাত কেৰিয়াৰ সজাগতা অনুষ্ঠান, চিত্ৰ আৰু ভাস্কৰ্য শিল্পীৰ সৈতে আলাপ, সংবাদ কৰ্মীৰ সৈতে আলাপ আদি অনুষ্ঠানৰো দিহা কৰা হৈছে বুলি আয়োজকে জানিবলৈ দিছে। আজি পুৱা ১০ বজাত উদযাপন সমিতিৰ সভাপতি ড০ গিৰিণ গগৈয়ে পতাকা উত্তোলনেৰে গ্ৰন্থমেলাৰ কাৰ্যসূচীৰ পাতনি মেলিব। ইয়াৰ পাছতে লখিমপুৰৰ জিলা আয়ুক্তই গ্ৰন্থমেলাৰ দ্বাৰ আনুষ্ঠানিকভাৱে মুকলি কৰিব।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে মাঘ বিহুৰ সময়ত ম'হ যুঁজ আৰু বুলবুলি চৰাই যুঁজ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে যোৱা বছৰ ২৭ ডিচেম্বৰত জাৰি কৰা নিৰ্দেশনা খাৰিজ কৰিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে তথ্য সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**এখন দেশ এটা নিৰ্বাচন** বিধেয়কৰ পক্ষত ২৬৯ গৰাকী সাংসদে ভোটদান কৰাৰ বিপৰীতে ১৯৮ গৰাকীয়ে বিধেয়কখনৰ বিপক্ষে ভোটদান কৰে। বিধেয়কখন দাখিলৰ পাছতেই বিৰোধী মহাজোঁটে চৰকাৰক কঠোৰ সমালোচনা কৰাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক জনমভূমি, দি আছাম টিব্ৰিউন, দি টাইমছ অৱ ইণ্ডিয়া আদি কাকতেও একেটা বাতৰিকে প্ৰথম পৃষ্ঠাত স্থান দিছে।

রাজ্যত যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মাত্ৰ দহ মাহতে ১৫ শতাধিক ৰোগী মৃত্যু হোৱাৰ এটা বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দিল্লীৰ যন্তৰ-মন্তৰত আদিবাসী ছাত্ৰ সংস্থাই আদিবাসীসকলক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এই বাতৰিটো আমাৰ অসম কাকতৰ লগতে নিয়মীয়া বাৰ্তা কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভূটান ভ্ৰমণ কৰি অসম আৰু ভূটানৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ সংকল্প গ্ৰহণ কৰিছে। তেওঁ লগতে ভূটানৰ সৈতে বাণিজ্য সম্প্ৰসাৰণৰ উদ্দেশ্যে নতুন পথ গঢ়ি তোলাৰ পোষকতা কৰিছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ কেইটামান অন্যান্য বাতৰি হৈছে- পদ প্ৰাকৃশিকীকৰণৰ দাবীৰে অপ্ৰাদেশিকৃত শিক্ষকৰ বিক্ষোভ অব্যাহত, বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে ভাৰতৰ অৰ্থনীতি, অসমত ধৰ্মান্তকৰণ বন্ধ কৰিব লাগিব বুলি খ্ৰীষ্টান মিছনেৰীক সকীয়নি ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ, গুৱাহাটী নলা-নৰ্দমাৰ পানী পৰিশোধনৰ গোট স্থাপনৰ প্ৰস্তুতি ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটিমান বাতৰি। এতিয়া আমি পুনৰ উভতি আহিছো অৰুণিমা গোস্বামীৰ ওচৰলৈ।

০০০০০০

ত্ৰৈলোক্য বৰগোঁহায়ে কালি অইল ইণ্ডিয়া লিমিটেডৰ পৰিচালন শাখাৰ নতুন সঞ্চালক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। ১৯৯৫ চনত অইলৰ দুলীয়াজানৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়ৰ ভূতাত্বিক বিভাগত কাৰ্যবাহী নবিচ হিচাপে যোগদান কৰা শ্ৰীবৰগোঁহায়ে অইলৰ ভূবিজ্ঞান আৰু তৈলাশয় শাখাৰ মুখ্য মহা-প্ৰৱন্ধক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ২০১৭ৰ পৰা ২০২১ চনলৈকে অইলৰ গেবন অন্বেষণ প্ৰকল্পৰ মহা-প্ৰৱন্ধক হিচাপেও দায়িত্ব পালন কৰিছিল।

০০০০০০

২০২৪-২৫ বৰ্ষৰ বাবে ৰাজ্যৰ যোগ্য সমবায় সমিতিসমূহৰ আৰ্থিক সাহায্যৰ আবেদন দাখিলৰ সময়সীমা অহা ২০ ডিচেম্বৰত উকলি যাব। হিতাধিকাৰী অসম সমবায় সমিতি আইন ২০০৭ৰ অধীনত পঞ্জীয়নভুক্ত সমবায় সমিতিসমূহে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। সমবায় সমিতিসমূহৰ ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ যথা বিধি পৰীক্ষণ হোৱাটো বাঞ্চনীয়। তদুপৰি বিগত ৩ বছৰ ধৰি নিয়মিতভাৱে বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰা সমিতিসমূহকহে এই সাহায্যৰ বাবে যোগ্য বিবেচনা কৰা হ'ব। সাধাৰণ ক্ষেত্ৰৰ সমবায় সমিতিসমূহৰ লগতে ৰাজ্যিক পৰ্যায়ৰ যোগ্য সমবায় সমিতিসমূহে www.farcs.assam.gov.inৰ জৰিয়তে এই আৰ্থিক সাহায্যৰ বাবে অনলাইন আবেদন কৰিব পাৰিব।

০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ বাবে চলি থকা তৃতীয়খন টেষ্ট খেল আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। খেলৰ অন্তিম দিনা আজি ভাৰতে কালি ৯ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৫২ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰি ২৬০ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ দশম উইকেটৰ যুটীত যশপ্ৰীত বুমৰাহ আৰু আকাশদ্বীপে মুঠ ৪৭ ৰান সংগ্ৰহ কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে অষ্ট্ৰেলিয়াই নিজৰ দ্বিতীয় ইনিংছত চাৰিটা উইকেট হেৰুৱাই ২৮ ৰাণ সংগ্ৰহ কৰিছে।

পাঁচখন খেলৰ শৃংখলাটোত দুয়োটা দলে ইতিমধ্যে এখনকৈ খেলত জয় লাভ কৰিছে।

০০০০০০

চিৰাং জিলাৰ বিজনী চহৰৰ ৩ নম্বৰ ৱাৰ্ডৰ বাসিন্দা, অসম চৰকাৰৰ কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মোবাৰক হুছেইনৰ কালি বিয়লি নিজ বাসভৱনত দেহাৱসান ঘটে। প্ৰয়াত হুছেইন অসম আন্দোলনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬২ বছৰ।

০০০০০০

বতৰৰ বতৰা- বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে বতৰ ফৰকাল হৈ থাকিব। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত ডাঠ কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত